**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-----------------------**

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নতুন দিল্লীত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে বৈঠক। দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ আজি নতুন দিল্লীত জি এছ্ টি পৰিষদৰ ৫৩ সংখ্যক বৈঠকত অধ্যক্ষতা।

৩। ৰাজ্যত অপৰিৱৰ্তিত বানপৰিস্থিতি। ১৯ খন জিলাৰ  ৩লাখ ৯০ হাজাৰ ৪৯১ জন লোক বানত ক্ষতিগ্ৰস্ত। বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি।

৪। শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা। দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল মাখল পৰিবেশ।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকত দুয়োগৰাকী নেতাই ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কক নতুন গতি প্ৰদানৰ উদ্দেশ্যে বিভিন্ন বিষয় লৈ আলোচনা কৰিব। ভাৰত আৰু বাংলাদেশে বিভিন্ন বিষয়ত কেইবাখনো চুক্তি স্বাক্ষৰ কৰিব। শ্ৰীমতী হাছিনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক দেখা কৰাৰ কথা আছে।

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক সৌজন্যমূলক সাক্ষাৎ কৰে। ড০ এছ্ জয়শংকৰে সামাজিক মাধ্যমত কয় যে, শ্ৰীমতী হাছিনাৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ আৰু স্থায়ী সম্পৰ্কৰ কথাকে প্ৰতিফলিত কৰিছ।

oooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত জি এছ্ টি পৰিষদৰ ৫৩ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব। এয়া হ'ব নতুন চৰকাৰ গঠনৰ পাছত পৰিষদৰ প্ৰথমখন বৈঠক। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ৭ অক্টোবৰত জি এছ্ টি পৰিষদৰ অন্তিমখন বৈঠক অনুষ্ঠিত হৈছিল।

oooooo

ৰাজ্যত বানপৰিস্থিতিৰ অধিক অৱনতি হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি এই পৰ্যন্ত ১৯খন জিলাৰ ৫০ টা ৰাজহ চক্ৰৰ অন্তৰ্গত এহেজাৰ ৩২৫খন গাঁও বানৰ কবলত পৰিছে। কামৰূপ, তামুলপুৰ, হাইলাকান্দি, ওদালগুৰি, হোজাই, ধুবুৰী, বৰপেটা, বিশ্বনাথ, নলবাৰী, বাক্সাকে ধৰি মুঠ ১৯খন জিলাৰ  ৩লাখ ৯০ হাজাৰ ৪৯১ জন লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ কবলত পৰা লোকসকলৰ আশ্ৰয়

আৰু সাহায্যৰ বাবে এই পৰ্যন্ত ২৪৫টা সাহায্য শিবিৰ স্থাপন কৰা হৈছে। জিলা প্ৰশাসনসমূহে প্ৰায় ১৮ হাজাৰ লোকৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰিছে। ইপিনে, ৰাজ্যখনত শেহতীয়া বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি হৈছে।

০০০০০০

শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে আজি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে ২১ৰ পৰা ৩০ জুনলৈকে কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈকে বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে আজি পুৱা ৫ বজাৰ পৰা ২৫ জুনৰ মাজ নিশালৈকে গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ ডি চি পিয়ে জনোৱা মতে আজিৰে পৰা কেইবাটাও পথত যান বাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা থাকিব। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত ফুটহিলৰ পৰা কামাখ্যা মন্দিৰলৈ কোনো গাড়ীয়ে চলাচল কৰিব নোৱাৰিব। জিলা প্ৰশাসনৰ অনুমতি থকা ফেৰী সেৱাৰ গাড়ীয়ে বাহনে পাণ্ডু কেবিন তিনিআলিৰ বংশীবাগানলৈ তীৰ্থযাত্ৰীক কঢ়িয়াব পাৰিব। অৱশ্যে বংশীবাগানৰ পৰা ফেৰী সেৱাৰ গাড়ী কামাখ্যা মন্দিৰলৈ যোৱাত বাধা থাকিব। জালুকবাৰী দিশৰ পৰা ভক্ত কঢ়িওৱা গাড়ীসমূহে নীলাচল উৰণসেতুৰ ছাৰ্ভিছলেন ব্যৱহাৰ কৰিব পাৰিব। আদাবাৰী বাছষ্টেণ্ড আৰু বৰিপাৰা খেলপথাৰত বাহন পাৰ্কিং কৰিব পাৰিব। ভৰলুৰ দিশৰ পৰা তীৰ্থযাত্ৰী কঢ়িওৱা গাড়ীয়ে নীলাচল উৰণসেতুৰ তলৰ ছাৰ্ভিচলেন ব্যৱহাৰ কৰিব পাৰিব। জালুকবাৰী ৰটাৰীৰ পৰা অহা এ এছ টি চি বাছ, চিটি বাছ আৰু ব্যক্তিগত যান-বাহনে নীলাচল উৰণসেতু হৈ মাছখোৱালৈ যাব লাগিব। অম্বুবাচীৰ সময়ছোৱাত বাহনসমূহে নীলাচল উৰণসেতুৰ ছাৰ্ভিছলেন ব্যৱহাৰ কৰিব নোৱাৰিব। জালুকবাৰীৰ পৰা অহা চিটিবাছসমূহে বিশ্বকৰ্মা মন্দিৰৰ সন্মুখত যাত্ৰী উঠা-নমা কৰিব পাৰিব। ভৰলুৰ দিশৰ পৰা অহা চিটিবাছসমূহ বৰিপাৰা ফিল্ডত যাত্ৰী উঠা-নমা কৰিব পাৰিব। নীলাচল উৰণসেতুৰ দুইমূৰে চিটিবাছসমূহে যাত্ৰী উঠা-নমা কৰাব নোৱাৰিব। নীলাচল উৰণসেতুৰ তলৰ পাৰ্কিং সংৰক্ষিত পাৰ্কিং জ'ন হিচাপে ব্যৱহাৰ কৰা হ'ব। আদাবাৰী তিনিআলিৰ পৰা পাণ্ডুপৰ্টলৈ পাণ্ডুপৰ্ট ৰোড আৰু মালিগাঁও চাৰিআলিৰ পৰা পাণ্ডুপৰ্টলৈ বৰবজাৰ ৰোডত পাৰ্কিং নিষিদ্ধ কৰা হৈছে।

ইতিমধ্যে দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে।

ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৰী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিব।

অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে কামাখ্যা মন্দিৰত ৪০০ গৰাকী স্কাউট, ১৫০ গৰাকী স্বেচ্ছাসেৱক, ১২০ গৰাকী নিয়মীয়া সুৰক্ষা কৰ্মীৰ লগতে ২৫০ গৰাকী অতিৰিক্ত ব্যক্তিগত সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। তদুপৰি মন্দিৰৰ চৌপাশে ৪০০ টা চি চি টি ভি স্থাপন কৰা হৈছে।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

oooooo

কেন্দ্ৰীয় চৰকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অসৎ পন্থা অৱলম্বন কৰাৰ ঘটনা আৰু অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এখন কঠোৰ আইন প্ৰণয়ন কৰিছে। এই আইনখনত দোষীসকলক সৰ্বাধিক ১০ বছৰ কাৰাদণ্ডৰ আৰু ১ কোটি টকা পৰ্যন্ত জৰিমণা বিহাৰ ব্যৱস্থা কৰা হৈছে। কৰ্মচাৰী মন্ত্ৰালয় আনুষ্ঠানিক ৰাজপত্ৰ অধিসূচনা যোগে এই আইনৰ ব্যৱস্থাসমূহ কালিৰে পৰা প্ৰযোয্য হৈছে। সাৰ্বজনীন পৰীক্ষা অসৎপন্থা নিয়ন্ত্ৰণ বিধেয়ক ২০২৪, ৬ ফেব্ৰুৱাৰীত লোকসভা আৰু ৯ ফেব্ৰুৱাৰীত ৰাজ্যসভাত গৃহীত হৈছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ১২ ফেব্ৰুৱাৰীত বিধেয়কখনত অনুমোদন জনাইছিল। কেন্দ্ৰীয় লোকসেৱা আয়োগ, কৰ্মচাৰী চয়ন আয়োগ, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, ৰে'লৱে নিযুক্তি পৰিষদ, বেংক নিযুক্তি পৰীক্ষা নিকায় আৰু অন্যান্য সংস্থাই আয়োজন কৰা পৰীক্ষাসমূহত অসৎ পন্থা নিয়ন্ত্ৰণৰ উদ্দেশ্যে এই আইনখন প্ৰস্তুত কৰা হৈছে। আইনখনত প্ৰৱঞ্চনাৰ ঘটনা ৰোধ কৰাৰ বাবে কমেও ৩ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি প্ৰৱঞ্চনাৰ সংগঠিত অপৰাধৰ সৈতে জড়িতসকলক ৫ৰ পৰা ১০ বছৰৰ কাৰাদণ্ড আৰু কমেও ১ কোটি টকাৰ জৰিমণা বিহাৰ ব্যৱস্থা কৰা হৈছে।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চৌপাশৰ এলেকাসমূহত ঘূৰ্ণী বতাহ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশকৰিছে। ইয়াৰ প্ৰভাৱত পৰৱৰ্তী ৪ দিনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ হিমালয়ৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কেৰালাৰ উপকূলভাগ, কৰ্ণাটকৰ দক্ষিণ প্ৰান্তৰ দুৰ্গম এলেকা,  কংকণ গোৱাতো ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি

মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ডিফুৰ আৰ্ত ভৱনৰ সমীপত সাংসদ এলেকাৰ উন্নয়ন আঁচনিৰ পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা অমৃত উদ্যানখন কালি সন্ধিয়া মুকলি কৰা হয়। কাৰ্বি আংলং জিলা আয়ুক্ত মথুমিতা ভাগৱতীয়ে ৩০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা উদ্যানখন উদ্বোধন কৰে। উদ্যানখনৰ পৰিচালনাৰ বাবে ডিফু ইক'লজিকেল ছ'চাইটী গঠন কৰা হৈছে।

০০০০০০

চিৰাং জিলাৰ ধালিগাঁৱৰ ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰ উপনগৰীৰ সামূহিক কেন্দ্ৰত কালি বঙাইগাঁও শোধনাগাৰৰ উদ্যোগত আৰু চিৰাং জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ ৭৪২ গৰাকী আশাকৰ্মীক বিনামূলীয়াকৈ আশা কিটছ বিতৰণ কৰা হয় আশা কিটছ বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে।

০০০০০০

ভাৰত আজি এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ব্ৰীজটাউনত অনুষ্ঠিত ছুপাৰ-এইট পৰ্যায়ৰ ষষ্ঠখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে ৱেষ্ট ইণ্ডিজে জয় লাভ কৰিছে। প্ৰথমে বেট ধৰি আটাইকেইটা উইকেট হেৰুৱাই ১৯ অভাৰ ৫টা বলত আমেৰিকা যুক্তৰাষ্ট্ৰই ১২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১০ অভাৰ ৫টা বলতেই নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈ ৯ উইকেটত সহজ জয় সাব্যস্ত কৰে।

ইপিনে, দক্ষিণ আফ্ৰিকাই কালি ছেইণ্ট লুছিয়ানাত অনুষ্ঠিত ছুপাৰ-এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত ইংলেণ্ডক ৭ ৰানত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডে ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ হেৰী ব্ৰুকে ৩৭টা বলত ৫৩ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডা আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৩ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কুইণ্টন ডি ক'কে ৩৭টা বলত ৫৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ জোফ্ৰা আৰ্চাৰে তিনিটা উইকেট দখল কৰে। কুইণ্টন ডি ক'কক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত আজি জৰ্জিয়া আৰু চেক গণৰাজ্যৰ মাজত খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৬ বজাত হামবুৰ্গত অনুষ্ঠিত হ'ব।

ডৰ্টমুণ্ডত ভাৰতীয় সময় অনুষ্ঠিত নিশা চাৰে ৯ বজাত তুৰস্ক আৰু পৰ্টুগালৰ মাজত আন এখন খেল অনুষ্ঠিত হ'ব আনহাতে ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত কল'নত বেলজিয়াম আৰু ৰোমানিয়াৰ মাজত খেল অনুষ্ঠিত হ'ব।

অষ্ট্ৰিয়াই যোৱানিশা বাৰ্লিনৰ অলিম্পিয়াষ্টেডিয়নত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন সংঘৰ্ষপূৰ্ণ খেলত পোলেণ্ডক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। কালিৰ পৰাজয়ৰ পাছত পোলেণ্ডৰ পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰাৰ আশা ক্ষীন হৈ পৰিছে। দলটো নিজৰ প্ৰথমখন খেলত নেডাৰলেণ্ডৰ বিৰুদ্ধে পৰাভূত হৈছিল।

ooooo

কালি দেশজুৰি উদযাপিত হয় আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰত প্ৰধানমন্ত্ৰীৰ লগতে তেজপুৰত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণৰ বাতৰি **দৈনিক অসমৰ** লগতে **আমাৰ অসম, দৈনিক জনমভূমি, অসমীয়া খবৰ, দি আছাম ত্ৰিবিউন, দ্যা চেণ্টিনেল** আৰু **দ্যা টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহাৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুৱালে ২৭ জন লোকে শীৰ্ষ শিৰোনামেৰে ৰাজ্যখনত ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰা বান পৰিস্থিতিৰ বাতৰি **আমাৰ অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

চাকৰিৰ নিযুক্তি পৰীক্ষা আৰু উচ্চ শিক্ষাৰ বাবে অনুষ্ঠিত বাঁছনি পৰীক্ষাসমূহৰ ক্ষেত্ৰত বিগত ৭ বছৰত দেশত ৭০ বাৰকৈ প্ৰশ্নকাকত ফাদিলৰ এটি তথ্য নিৰ্ভৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে **দৈনিক অগ্ৰদূত** কাকতে।

প্ৰস্তাৱিত কামাখ্যা কৰিডৰৰ ক্ষেত্ৰত ন্যায়ালয়ৰ হস্তক্ষেপ, ভূগৰ্ভস্থ জলস্ৰোতলৈ আহিব পৰা সংকটৰ নিষ্পত্তি নোহোৱা পৰ্যন্ত আগনাবাঢ়ে নিৰ্মাণ প্ৰকল্পৰ কাম। এই সন্দৰ্ভত এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে **দৈনিক জনমভূমি** কাকতে।

ফলাফল আৰু পৰক্ষীৰ বিসংগতিৰ বাবে দেশৰ ৩৩ লাখ শিক্ষাৰ্থীৰ হাঁহাকাৰ-প্ৰতিবাদৰ মাজতে চি এছ আই আৰ, ইউ জি চি নেট পৰীক্ষাত  ন্যায়ালয়ৰ স্থগিতাদেশ ঘোষণাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মাৰ্ঘেৰিটাত কয়লাৰ অবৈধ খনন আৰু ভাণ্ডাৰত অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমিতিৰ এটা দলে চলোৱা অতৰ্কিত অভিযানৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিশ্বৰ কেইবাটাও পৰিৱেশ সংৰক্ষণৰ লগত জড়িত সংস্থাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত হোটেল নিৰ্মাণৰ প্ৰকল্প কাৰ্যকৰী কৰাৰ আগমুহূৰ্তত পৰ্যাবৰণ আৰু পৰিৱেশ সুৰক্ষাৰ দিশসমূহ চালি-জাৰি চাবলৈ আহ্বান জনোৱাৰ বাতৰি **দি আছাম ত্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ ভাৰত আগমণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ আদৰণি সন্দৰ্ভত এটি বাতৰি **দ্যা ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে। গ্ৰীষ্ম প্ৰবাহত দেশত ১৪৩ জন লোকৰ মৃত্যুৰ এটা বাতৰি দ্যা **টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ জামিন প্ৰসংগত দিল্লী উচ্চ ন্যায়ালয়ৰ স্থগিতাদেশ, মুখ্যমন্ত্ৰী ঘোষণা- ১৫ আগষ্টৰ আশে-পাশে ৰদ-বদল হোৱাৰ সম্ভাৱনা ৰাজ্যৰ গুৰুত্বপূৰ্ণ মন্ত্ৰী দপ্তৰ, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত উত্তাল দেশ, অসমৰ ৪ খন বিশ্ববিদ্যালয়লৈ ইউ জি চি নিৰ্দেশ অমান্য কৰাৰ বাবে ইউ জি চিৰ জাননী, আজিৰে পৰা মহা অম্বুবাচী, বন্ধ হ'ল কামাখ্যাৰ দুৱাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত